# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–HC–3026

**( Asamiya Kabitar Chaneki )**

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া : ১×১০=১০

(ক) মাধৱ কন্দলী কোন ৰজাৰ পৃষ্ঠপোষকতাত সাহিত্য-চৰ্চা কৰিছিল ?

(খ) 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চিত্ৰাৱলী চতুৰ্দ্দশীৰ খেলা' নামৰ কবিতাটিত উল্লেখিত নদীখনৰ নাম কি ?

(গ) মহাপুৰুষ শংকৰদেৱে 'ৰামায়ণ'ৰ কোনটো কাণ্ড অনুবাদ কৰিছিল ?

(ঘ) অসমীয়া সাহিত্যত 'ব্যাস' বুলিলে কোনজন কবিক বুজায় ?

(ঙ) চন্দ্ৰকুমাৰ আগৰৱালাৰ ‘প্ৰতিমা’ নামৰ কাব্যপুথিখনি কিমান চনত প্ৰকাশ পাইছিল ?

(চ) ৰঘুনাথ চৌধাৰীৰ প্ৰথম প্ৰকাশিত কবিতাপুথিখনৰ নাম কি ?

(ছ) ‘কলংপৰীয়া কবি’ বুলি কোনগৰাকী কবিক কোৱা হয় ?

(জ) ‘পলস’ শব্দৰ অৰ্থ লিখা।

(ঝ) অজিত বৰুৱাই কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছে ?

(ঞ) ‘ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত’ কবিতাটি নীলমণি ফুকনৰ কোনখন কাব্যগ্ৰন্থৰ পৰা লোৱা হৈছে ?

২। তলত দিয়াবোৰৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) ‘‘নানাবিধ ভোগ সুখ সৱে পৰিহৰি।
ৰাজপুত্ৰ গুচি ভৈলা বনৰ ভিখাৰী॥’’

কবিতাংশটো কোন কবিৰ, কোনটো কবিতাৰ পৰা উদ্ধৃত কৰা হৈছে ?

(খ) ‘নিমি নৱসিদ্ধ সংবাদ’ আৰু ‘পাঞ্চালী বিবাহ’ গ্ৰন্থ দুখনৰ ৰচক দুগৰাকীৰ নাম লিখা।

(গ) ৰোমাণ্টিক কবিতাৰ দুটি বিশেষ লক্ষণ উল্লেখ কৰা।

(ঘ) ''আজি আকৌ মেজাংকৰিৰ এঙাচোলা পিন্ধি ৰ'দ লৈছোঁ''—ইয়াত উল্লেখিত 'মেজাংকৰি' শব্দটোৰ অৰ্থ কি?

(ঙ) 'অন্ত্যজা' আৰু 'বান্দৰ' কবিতা দুটিৰ কবি দুগৰাকীৰ নাম লিখা।

৩। তলত দিয়াবোৰৰ প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ''কোকিল ভ্ৰমৰ পক্ষী ময়ূৰৰ ৰাৱে।
কাম ব্যাধি পীড়িয়া নসহে মোৰ গাৱে॥''

(খ) ''অলপ পানীৰ মৎস্য নজানিল
শুখাই টুটি পৰৈ পানী।
আয়ু যায় নিত তাত নেদে চিত
যেন মহা মূঢ় প্ৰাণী॥''

(গ) ''ক'ৰ কোন কিবা হ'ল
চিৰস্মৃতি পমি গ'ল
প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল।''

(ঘ) ''মৰুময় মোৰ জীৱনত সখী!
তুমি কবিতাৰ একেটি সুঁতি।''

(ঙ) ''উৰুখা পানীয়ে উটাই নিয়ক মৰা মকৰাৰ খোলা।
আমাৰ পলসে সাৰুৱা কৰক কলঙৰ দুটি কূল!''

(চ) ''শূন্যতাৰ হাতৰ পৰা সৰি পৰিল
দিনৰ হিৰণ্ময় হৃদয় পাত্ৰ
নিঃশব্দে সৰি পৰিল
আৰু বুৰ গ'ল''

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

৪। (ক) 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটিৰ মাজেৰে প্ৰকৃতিৰ মনোৰম সৌন্দৰ্য কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

*অথবা*

(খ) দুৰ্গাবৰৰ 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চিত্ৰাৱলী চতুৰ্দ্দশীৰ খেলা' কবিতাটিৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

৫। (ক) ৰামসৰস্বতীৰ 'দ্ৰৌপদীৰ বিলাপ' কবিতাটিৰ মূলভাব পৰ্যালোচনা কৰি কবিতাটিৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

*অথবা*

(খ) ধ্ৰুপদী কবিতা বুলিলে কি বুজা? অসমীয়া ধ্ৰুপদী কবিতাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

৬। (ক) ৰঘুনাথ চৌধাৰীৰ 'অন্তিম জ্যোতি' কবিতাটিৰ মাজেৰে ৰোমাণ্টিক কবিতাৰ কোনবোৰ লক্ষণ পৰিস্ফুট হৈছে, আলোচনা কৰা।

*অথবা*

(খ) 'মনোৰমা' কবিতাটিৰ মাজেৰে কবি দেৱকান্ত বৰুৱাৰ পাৰ্থিব প্ৰেম কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৭। (ক) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটিৰ ভাবাৰ্থ মুকলি কৰি ইয়াত সাম্প্ৰতিক কবিতাৰ কোনবোৰ বৈশিষ্ট্য প্ৰতিফলিত হৈছে, বিচাৰ কৰা।

*অথবা*

(খ) সাম্প্ৰতিক কবিতাৰ বৈশিষ্ট্যসমূহ সামৰি এটি প্ৰবন্ধ যুগুত কৰা।

★★★